**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 02-10-2026** **Time : 0705 Hrs**

***Assamese Morning Bulletin***
***Headlines***

**----------------------------**

১। গান্ধী জয়ন্তী উপলক্ষে সমগ্ৰ দেশত আজি বিশেষ গাঁওসভাৰ আয়োজন কৰা হৈছে।

২। ভাৰত আৰু কানাডাই পাঁচ বছৰৰ ভিতৰত দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ প্ৰায় ৭ হাজাৰ কোটি ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

৩। ফ্লাইডুবাইৰ সাহসী পাইলট তথা ভাৰতীয় নাগৰিক কেপ্তেইন স্মিত মচ্চাৰৰ স্বাস্থ্যৰ অৱস্থা নিৰীক্ষণ কৰি থকা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৪। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ষ গোৱেলে ব্ৰিটেইন আৰু অষ্ট্ৰেলিয়াৰ সৈতে ভাৰতৰ বাণিজ্যৰ দ্ৰুত সম্প্ৰসাৰণৰ পোষকতা কৰিছে।

**আৰু**

৫। ২০২৭ চনৰ পুৰুষৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ সূচী ঘোষণা কৰা হৈছে। ভাৰতে ৭ অক্টোবৰত কেপ্টাউনত অষ্ট্ৰেলিয়াৰ অভিযান আৰম্ভ কৰিব।

০০০০০০

গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশত আজি বিশেষ গাঁওসভাৰ আয়োজন কৰা হৈছে। এই সভাসমূহত গ্ৰামাঞ্চলত পঞ্চায়তীৰাজ ব্যৱস্থা সুদৃঢ় কৰা, ৰাজহুৱা সেৱাৰ উন্নয়ন আৰু জীৱন ধাৰণৰ মান উন্নত কৰাৰ লক্ষ্যৰে প্ৰৱৰ্তন কৰা ৰূপান্তৰকাৰী প্ৰশাসনিক সংস্কাৰৰ বিষয়ে আলোচনা কৰা হ'ব। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই বিশেষ সভাৰ আয়োজনেৰে জন পৰিকল্পনা অভিযান ২০২৬-২৭ সকলোৰে যোজনা সকলোৰে বিকাশ আৰম্ভ হ'ব। এই অভিযানৰ অধীনত গাঁও পঞ্চায়তসমূহে অংশগ্ৰহণমূলক আৰু তথ্য আধাৰিত পৰিকল্পনাৰ জৰিয়তে ২০২৭-২৮ বিত্তীয় বৰ্ষৰ বাবে নিজৰ গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰিব। দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ২০১৮ চনৰ পৰা এই জন পৰিকল্পনা অভিযান ৰূপায়ণ কৰি অহা হৈছে, যাতে পঞ্চায়তসমূহে সৰ্বাত্মক আৰু অংশগ্ৰহণমূলক উন্নয়ন পৰিকল্পনা যুগুত কৰিব পাৰে। দেশৰ বিভিন্ন প্ৰান্তৰ ২ লাখ ৫৫ হাজাৰৰো অধিক গাঁও পঞ্চায়তে নিজৰ নিজৰ পৰিকল্পনা প্ৰস্তুত কৰি ই-গ্ৰাম স্বৰাজ পৰ্টেলত আপল'ড কৰিছে। গাঁওসভাসমূহত জনসাধাৰণ আৰু স্থানীয় প্ৰতিনিধিসকলে একেলগে চৰকাৰী আঁচনিৰ সমীক্ষা কৰিব আৰু নিজৰ নিজৰ গাঁওৰ বাবে অগ্ৰাধিকাৰ নিশ্চিত কৰিব।

০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৭ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এই উপলক্ষে দেশৰ বিভিন্ন অংশ আৰু বিদেশত থকা ভাৰতীয় মিছনসমূহৰ উদ্যোগত বিশেষ অনুষ্ঠানৰ

আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় ৰাজধানীত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ সমাধি ৰাজঘাটত সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গান্ধী জয়ন্তী উপলক্ষে মহাত্মা গান্ধীক শ্ৰদ্ধাৰে সুঁৱৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে বিশ্বৰ বিভিন্ন অংশত অব্যাহত থকা যুদ্ধ আৰু সংঘৰ্ষৰ বৰ্তমানৰ পৰিস্থিতিত মহাত্মা গান্ধীৰ শান্তি আৰু অহিংসাৰ বাৰ্তা অধিক প্ৰাসঙ্গিক হৈ উঠিছে। তেওঁ কয় যে, বিশ্ব সম্প্ৰদায়ে গান্ধীৰ জীৱন আৰু আদৰ্শৰাজিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আহিছে। ভাৰতবৰ্ষই ২০৪৭ চনৰ ভিতৰত নিজকে উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ৰাষ্ট্ৰীয় লক্ষ্যৰ দিশে অগ্ৰসৰ হোৱা বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে উন্নয়ৰ উপকাৰৰ পৰা যাতে কোনো নাগৰিক বঞ্চিত হ'বলগীয়া নহয় তাক সুনিশ্চিত কৰাৰ বাবে অন্তৰ্ভুক্তি আৰু সহমৰ্মিতাৰ আদৰ্শৰাজিক অগ্ৰাধিকাৰ দিয়া হৈছে। এই দৃষ্টিভংগীয়ে সকলোৰে কল্যাণ আৰু উন্নয়নৰ নীতি আধাৰিত মহাত্মা গান্ধীৰ সৰ্বোদয়াৰ আদৰ্শক প্ৰতিফলিত কৰে বুলি তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে নৈতিক আচৰণ আৰু সক্ৰিয় অংশগ্ৰহণেৰে সবল, উন্নত আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সংকল্পৰ প্ৰতি পুনৰ প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

দেশবাসীয়ে লগতে লাল বাহাদুৰ শাস্ত্ৰীৰ ১২২ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। তেওঁ ১৯০৪ চনৰ ২ অক্টোবৰত পূৰ্বতে মোগল চৰায় নামেৰে পৰিচিত উত্তৰ প্ৰদেশৰ দীনদয়াল উপাধ্যায় নগৰত জন্মগ্ৰহণ কৰিছিল। প্ৰয়াস শাস্ত্ৰীয়ে কিশোৰ কালতে দেশৰ স্বাধীনতা সংগ্ৰামত যোগ দিছিল আৰু ১৯২১ চনত অসহযোগ আন্দোলনত ভাগ লৈছিল। স্বাধীনতা লাভৰ পাছত লাল বাহাদুৰ শাস্ত্ৰীয়ে উত্তৰ প্ৰদেশৰ কেইবাটাও গুৰুত্বপূৰ্ণ পদবীত কাৰ্যনিৰ্বাহ কৰিছিল আৰু পাছত কেন্দ্ৰীয় চৰকাৰতো গুৰুত্বপূৰ্ণ দায়িত্ব গ্ৰহণ কৰিছিল।

000000

ফ্লাইডুবাইৰ সাহসী পাইলট তথা ভাৰতীয় নাগৰিক কেপ্টেইন স্মিত মচ্চাৰৰ স্বাস্থ্যৰ অৱস্থা নিৰীক্ষণ কৰি থকা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে যে চৌদি আৰৱৰ তবুকৰ এখন চিকিৎসালয়ত প্ৰাৰম্ভিক চিকিৎসাৰ পাছত পাইলটগৰাকীক উন্নত চিকিৎসাৰ বাবে আবুধাবিলৈ স্থানান্তৰিত কৰা হৈছে। সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ - ইউ এ ইত থকা ভাৰতীয় ৰাষ্ট্ৰদূতগৰাকীয়ে কেপ্টেইন মচ্চাৰক চিকিৎসালয়ত সাক্ষাৎ কৰে আৰু তেওঁৰ স্বাস্থ্যৰ বুজ লয়। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰদূতগৰাকীয়ে তেওঁৰ পৰিয়ালক সাক্ষাৎ কৰে আৰু কেপ্টেইনগৰাকীৰ স্বাস্থ্যৰ বাবে যথাসম্ভৱ সহায় কৰা হ'ব বুলি আশ্বাস দিয়ে। আবুধাবিত থকা ভাৰতীয় দূতাবাস আৰু ডুবাইত থকা বাণিজ্যিক দূতাবাসে বিষয়টো সন্দৰ্ভত স্থানীয় কৰ্তৃপক্ষৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে পুনৰাই কেপ্টেইন স্মিত মচ্চাৰৰ সাহসিকতা আৰু বীৰত্বৰ প্ৰতি প্ৰণিপাত জনাইছে। মন্ত্ৰালয়ে লগতে নিজৰ অদম্য সাহসৰ বাবে সমগ্ৰ বিশ্বত লাভ কৰা প্ৰশংসা আৰু সমৰ্থনৰ শলাগ লৈছে।

0000000

অহা পাঁচ বছৰৰ ভিতৰত ভাৰত আৰু কানাডাৰ দ্বিপাক্ষিক বাণিজ্যৰ পৰিমাণ বৰ্তমানৰ প্ৰায় ৩০ বিলিয়ন ডলাৰৰ পৰা ৭০ বিলিয়ন ডলাৰলৈ সম্প্ৰসাৰণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। কানাডাৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মন্ত্ৰী মনিন্দৰ সিধুৱে প্ৰকাশ কৰা অনুসৰি, দুয়োখন দেশে বিস্তৃত বাণিজ্য চুক্তি চূড়ান্ত কৰাৰ দিশে খৰতকীয়াকৈ পদক্ষেপ গ্ৰহণ কৰিছে।

অহা সোমবাৰৰ পৰা ওটাৱাত এই দ্বিপাক্ষিক আলোচনাৰ পঞ্চমটো পৰ্যায় অনুষ্ঠিত হ'ব। বাণিজ্য মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে যে - শক্তি, অৰ্থনৈতিক দিশৰপৰা গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ আৰু বিমান আকাশ ক্ষেত্ৰত দুয়োখন দেশৰ মাজত গভীৰ সহযোগিতাৰ পৰ্যাপ্ত সুযোগ আছে। বিশেষকৈ ভাৰতৰ স্বয়ংক্ৰিয় বাহন, বৈদ্যুতিক বাহন আৰু বেটাৰী উদ্যোগৰ ব্যাপক সম্প্ৰসাৰণৰ পৰিপ্ৰেক্ষিতত গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ সৰবৰাহে দুয়োখন দেশৰ অৰ্থনৈতিক সম্পৰ্কক শক্তিশালী ৰূপ প্ৰদান কৰিব।

২০২৫ চনৰ নৱেম্বৰ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মাৰ্ক কাৰ্নীৰ মাজত হোৱা সন্মতিদুমৰ্মে সামগ্ৰিক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ আলোচনা পুনৰাৰম্ভ কৰা হৈছিল। ইয়াৰ ইতিমধ্যে চাৰিটা পৰ্যায়ৰ আলোচনা সফলতাৰে সম্পন্ন হৈছে আৰু এই বৰ্ষত এই ঐতিহাসিক চুক্তি সৰ্বসন্মতিক্ৰমে চূড়ান্ত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

0000000

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেলে ব্ৰিটেইন আৰু অষ্ট্ৰেলিয়াৰ সৈতে ভাৰতৰ বাণিজ্য সম্পৰ্ক খৰতকীয়াভাৱে সম্প্ৰসাৰণত গুৰুত্ব আৰোপ কৰিছে। আমেৰিকাৰ মিলৱ'কী চহৰত অনুষ্ঠিত জি-২০ বাণিজ্য মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণৰ আঁত ধৰি শ্ৰীগোৱেলে দুয়োখন দেশৰ মন্ত্ৰীসকলৰ সৈতে পৃথকে বৈঠকত মিলিত হয়।

ব্ৰিটেইনৰ ব্যৱসায়, উদ্ভাৱন, বিজ্ঞান আৰু বাণিজ্য মন্ত্ৰী জোনাথন ৰে'নল্ডছৰ সৈতে হোৱা বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ২০২৬ চনৰ ১৫ জুলাইৰ পৰা কাৰ্যকৰী হোৱা ভাৰত-ব্ৰিটেইন সামগ্ৰিক অৰ্থনৈতিক আৰু বাণিজ্য চুক্তিৰ ৰূপায়ণৰ পৰ্যালোচনা কৰে। দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্য দ্বিগুণ কৰাৰ উদ্দেশ্যে এই চুক্তিৰ বাণিজ্যিক সম্ভাৱনাসমূহ পূৰ্ণভাৱে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আলোচনাত  সিদ্ধান্ত গ্ৰহণ কৰা হয়।

আনহাতে, অষ্ট্ৰেলিয়াৰ বাণিজ্য আৰু পৰ্যটন মন্ত্ৰী ডন ফাৰেলৰ সৈতে হোৱা বৈঠকত ভাৰত-অষ্ট্ৰেলিয়া সামগ্ৰিক অৰ্থনৈতিক সহযোগিতা চুক্তিৰ আলোচনা দ্ৰুততৰ কৰি তোলাৰ বিষয়ে বিস্তাৰিতভাৱে মত-বিনিময় কৰা হয়।

0000000

২০২৭ চনৰ পুৰুষৰ বিশ্বকাপ ক্ৰিকেট  প্ৰতিযোগিতাত ভাৰতে ৭ অক্টোবৰত কেপ্টাউনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে অভিযান আৰম্ভ কৰিব। প্ৰতিযোগিতাৰ গ্ৰুপ এত স্থান লাভ কৰা ভাৰত ১০ অক্টোবৰত জোহান্সবাৰ্গত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰথম খেল দুখনৰ পাছত ভাৰত ১৪ অক্টোবৰত চেঞ্চুৰিয়ানত আফগানিস্তানৰ সন্মুখীন হ'ব আৰু ১৭ অক্টোবৰত নিজৰ গ্ৰুপ পৰ্যায়ৰ চতুৰ্থখন খেলত যোগ্যতা নিৰূপণকাৰী খেলৰ জৰিয়তে স্থান লাভ কৰা কোৱালিফায়াৰ এৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ পাছত ২৪ অক্টোবৰত ভিক্টোৰিয়া ফল্ছত সহ-আয়োজক জিম্বাব'ৱেৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে ভাৰতে গ্ৰুপ পৰ্যায়ৰ অভিযান সামৰিব। প্ৰতিযোগিতাত গ্ৰুপ বিত সহ-আয়োজক দক্ষিণ আফ্ৰিকা, ইংলেণ্ড, নিউজিলেণ্ড,

শ্ৰীলংকা, বাংলাদেশ আৰু যোগ্যতা নিৰূপণকাৰী  খেলৰ জৰিয়তে স্থান লাভ কৰা কোৱালিফায়াৰ **বি** দলক অন্তৰ্ভুক্ত কৰা হৈছে। উইণ্ডহ'কত ২ অক্টোবৰত হ'বলগীয়া প্ৰাক্-প্ৰতিযোগিতাত ছুপাৰ চিৰিজ কোৱালিফায়াৰ পৰ্যায়ৰে এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব। এদিনীয়া বিশ্বকাপৰ প্ৰথমখন ছেমি ফাইনেল ১৭ নৱেম্বৰত কেপ্টাউনত আৰু দ্বিতীয়খন ছেমি ফাইনেল চেঞ্চুৰিয়নত ১৮ নৱেম্বৰত অনুষ্ঠিত হ'ব। জোহান্সবাৰ্গত ২১ নৱেম্বৰত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০

**সমাপ্ত**